**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম মন্ত্ৰীসভাই বি টি চিলৈ ২৫০ কোটি টকা আবণ্টনৰ বাবে অনুমোদন জনাইছে। আজি দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে চাহ শ্ৰমিকক ভূমি প্ৰদানৰ বাবে ভূমি চিলিং সংশোধন কৰা সন্দৰ্ভত মন্ত্ৰীসভাই অনুমোদন জনোৱাৰ কথাও উল্লেখ কৰে। ধেমাজি জিলাৰ কাৰেং চাপৰিত চি আৰ পি এফৰ গ্ৰুপ চেণ্টাৰ স্থাপনৰ বাবে ৬০৭ বিঘা ভূমি আবণ্টনত মন্ত্ৰীসভাই অনুমোদন দিয়ে। মিছন বসুন্ধৰাৰ জৰিয়তে লখিমপুৰ, কামৰূপ, বৰপেটা, ধুবুৰী, গোৱালপাৰা, দৰঙৰ ২২৪ টা পৰিয়াল আৰু কামৰূপ, বৰপেটা, গোৱালপাৰা, গোলাঘাট, দৰঙৰ ৮৪ টা পৰিয়াললৈ ভূমি আবণ্টন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণৰ সময়তে আধাৰশিলা স্থাপন কৰিবলগীয়া নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউণ্ডফিল্ড এম'নিয়া ইউৰিয়া প্ৰকল্পৰ বাবে মন্ত্ৰীসভাৰ বৈঠকতে ৰাজ্য চৰকাৰে মাটিৰ আৱণ্টনৰ সিদ্ধান্ত দিয়া বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

ইয়াৰ লগতে দৃষ্টিহীন বিশ্বকাপ ক্ৰিকেট বিজয়ী ভাৰতীয় দলৰ সদস্যা চিমু দাসক শাৰীৰিক প্ৰশিক্ষক পদত নিযুক্তি দিয়াৰ বাবে মন্ত্ৰীসভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। আজি মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভতো বিভিন্ন বিষয়ে আলোচনা কৰে।

০০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনৰ চৌহদত আজি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ৪৩ গৰাকী নগৰীয়া কাৰিকৰী বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। আজি নিযুক্তি লাভ কৰা সকলৰ ভিতৰত ১৬ গৰাকী মেকানিকেল অভিযন্তা, ১১ গৰাকী বৈদ্যুতিক অভিযন্তা, ৮ গৰাকী জনস্বাস্থ্য অভিযন্তা, ৬ গৰাকী পৰিৱেশিক অভিযন্তা আৰু দুগৰাকী ব্যৱহাৰিক অভিযন্তা আছে। অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। নিযুক্তিপত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা কয়, যে ৰাজ্যত বৰ্তমান ৩ খন পৌৰ নিগম আছে আৰু নতুনকৈ বহুকেইটা অঞ্চলক পৌৰ এলেকা বা নগৰাঞ্চল হিচাপে চিনাক্ত কৰা হৈছে। খোৱাপানীৰ সমস্যা, কৃত্ৰিম বান, জাৱৰ নিষ্কাষণ আদিকে ধৰি নগৰীয়া প্ৰশাসনসমূহে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰ্তমান সময়ত কিউ আৰ কোডৰ জৰিয়তে ধন আদায়, এছ এম এছ এলাৰ্ট আদিৰ দৰে ব্যৱস্থাই পৌৰ প্ৰশাসনত স্বচ্ছতা আনিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হ'ব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কাৰ্যসূচীৰ অংশ হিচাপে ২১ ডিচেম্বৰত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। মৰিগাঁও জিলাৰ তিনিগৰাকী কীৰ্তিমান শিক্ষাৰ্থীয়েও প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে এই আলোচনাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে বুলি আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনাইছে। শিক্ষাৰ্থী কেইগৰাকী হৈছে- মৈৰাবাৰীৰ পি এম শ্ৰী আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ কৃষ্টিজিনা বৰা, মৰিগাঁও জৱাহৰ নৱোদয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ নঈম মাছুদ আৰু জালুগুটিৰ পি এম শ্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ জেনিফা আহমেদ।

০০০০০০০

শ্ৰীভূমি জিলাৰ লাতু মালেগড়ত আজি ১৮৫৭ চনৰ ঐতিহাসিক  চিপাহী বিদ্ৰোহৰ ছহিদসকলৰ স্মৃতিত ছহিদ দিৱস পালন কৰা হয়। জিলা প্ৰশাসন, সীমান্ত সুৰক্ষা বাহিনী আৰু পাটকাই ট্ৰেকাৰ্ছ নামৰ স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত দিনজোৱা কাৰ্যসূচীৰে এই ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত চিপাহী বিদ্ৰোহত অংশগ্ৰহণ কৰা চিপাহীসকলৰ আত্মত্যাগ, দেশপ্ৰেম আৰু দায়িত্ববোধক শ্ৰদ্ধাসহকাৰে স্মৰণ কৰা হয়। অনুষ্ঠানত শ্ৰীভূমি জিলাৰ সহকাৰী আয়ুক্ত ৰংবামন টেৰন, প্ৰাক্তন সাংসদ মিছনৰঞ্জন দাস, সীমান্ত সুৰক্ষা বাহিনীৰ কমাণ্ডেণ্ট আৰু পাটকাই ট্ৰেকাৰ্ছৰ সদস্যসকলৰ লগতে ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। বক্তাসকলে চিপাহী বিদ্ৰোহৰ ঐতিহাসিক তাৎপৰ্য আৰু স্বাধীনতা সংগ্ৰামত ছহিদসকলৰ অৱদানৰ কথা স্মৰণ কৰে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত জিলা বিজেপিৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱীৰ উপস্থিতিত জিলাখনৰ সাতটা মণ্ডলৰ মহিলা মৰ্চাৰ নেতৃত্বৰে এই সাংগঠনিক সভা অনুষ্ঠিত হয়।

০০০০০০০

মৰিগাঁও জিলাত কাইলৈৰ পৰা সাতদিনীয়াকৈ ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। মৰিগাঁও জিলা কাৰ্যালয় চৌহদৰ পন্যাগাৰত মৰিগাঁও জিলা নিৰ্বাচনী বিষয়াৰ অধীনত এই প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। ইলেকট্ৰনিকছ কৰ্প'ৰেচন অৱ ইণ্ডিয়া লিমিটেডৰ ১২ জন অভিযন্তাই এই সমগ্ৰ পৰীক্ষণ প্ৰক্ৰিয়া তদাৰক কৰিব। অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মাক প্ৰথম পৰ্যায়ৰ পৰীক্ষণৰ পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। পৰীক্ষণ প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত প্ৰতিদিনে পুৱা ৯ বজাৰ সন্ধিয়া ৭ বজালৈ পৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব।

০০০০০০০

বিদেশী ন্যায়াধীকৰণে নগাঁও জিলাৰ ১৫ জন লোকক বিদেশী বুলি ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এটা নিৰ্দেশযোগে লোককেইজনক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ জাননী জাৰি কৰিছে। এই নিৰ্দেশ অমান্য কৰিলে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ঠিকনা দিয়া এই লোককেইজনৰ ৰাজ্যৰ অন্যান্য ঠাইতো ঠিকনা আছে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**